# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ জৰিয়তে চৰকাৰে অৰ্থনৈতিক বিকাশৰ ধাৰা অব্যাহত ৰখাৰ পথ নিৰ্ণয় কৰিছে বুলি প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটক জনসাধাৰণ কেন্দ্ৰীক বুলি উল্লেখ কৰিছে।

৩। সংসদৰ দুয়োখন সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ওড়িশা আৰু চত্তিশগড় ভ্ৰমণ কৰিব।

*আৰু*

৫। জিম্বাবৱেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ আই চি চি পুৰুষ বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৫৮ ৰানত পৰাস্ত কৰে।

০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ জৰিয়তে চৰকাৰে অৰ্থনৈতিক বিকাশৰ ধাৰা অব্যাহত ৰখাৰ পথ নিৰ্ণয় কৰিছে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে চৰকাৰে উৎপাদনশীলতা আৰু নিয়োগৰ সুযোগ বৃদ্ধিৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে আন্তঃগাঁথনিমূলক সংস্কাৰৰ পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিব বিচাৰিছে। লোকসভাত কালি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিলৰ পাছত এখন সংবাদমেলত বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে এইবেলি বাজেটত সৰ্বমুঠ ১২ দশমিক ২ লাখ কোটি টকা মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে। এই পৰিমাণ বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক বুলি তেওঁ সদৰি কৰে। এইবেলি বাজেটত আন্তঃগাঁথনিৰ সংস্কাৰৰ জৰিয়তে সৰ্বাত্মক অৰ্থনৈতিক প্ৰগতি সাধন কৰাৰ প্ৰয়াস কৰা হৈছে। শ্ৰীমতী সীতাৰমণে কয়, যে চৰকাৰে ২০২৬-২৭ বৰ্ষত বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ চাৰি দশমিক তিনি শতাংশ হ'ব বুলি আশা কৰিছে।

বাজেটত ১০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰগতি পুঁজি মুকলি কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। আত্মনিৰ্ভৰ ভাৰত পুঁজিত ২ হাজাৰ কোটি টকা অতিৰিক্তভাৱে যোগ দিয়া হ'ব। বিত্ত মন্ত্ৰীগৰাকীয়ে উচ্চ শিক্ষা খণ্ডৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নতুন শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়, ছাত্ৰী নিৱাস আদি স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। বিত্তমন্ত্ৰালয়ে লগতে অসম, অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিত অনুমোদন জনাইছে।

বাজেটত উত্তৰ পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছে। উত্তৰ পূৰ্বৰ ৰাজ্যসমূহত যাতায়ত অধিক সুচল কৰাৰ বাবে ৪ হাজাৰ ই-বাছৰ প্ৰস্তাৱ আজিৰ বাজেটত উত্থাপন কৰা হৈছে। এই বাছসমূহ অৰুণাচল প্ৰদেশ, ছিকিম, অসম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ক্ষেত্ৰত বিশেষভাৱে কাৰ্যকৰী হ'ব।

চৰকাৰে ৰাঁছি আৰু তেজপুৰত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য বিশ্ববিদ্যালয় উন্নীত কৰিব। বাজেটত উল্লেখ থকা অনুসৰি চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন বলবৎ হ'ব।

বাজেটত স্বাস্থ্যখণ্ডৰ বাবে ১ দশমিক ৬ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত কৈ এইবেলি ১০ শতাংশ অধিক ধন মঞ্জুৰ কৰা হৈছে। এইবেলি স্বাস্থ্য, গৱেষণা বিভাগৰ বাবে ৪ দশমিক ৮ হাজাৰ কোটি ধন আৱণ্টন কৰা হৈছে। কেন্দ্ৰীয় বাজেটত সাৰ বিভাগৰ বাবে ১ দশমিক ৭-১ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। একেদৰে বাজেটত সকলো মন্ত্ৰালয়ৰ ভিতৰত প্ৰতিৰক্ষা সেৱাৰ বাবে অধিক ধন মঞ্জুৰ কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ দশমিক ৮-৫ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰালয়লৈ দিয়া মুঠ ধনৰ আৱণ্টনৰ ভিতৰত ২৭ দশমিক ৯-৫ শতাংশ মূলধনী ব্যয়, ২০ দশমিক ১-৭ শতাংশ জীৱিকা আৰু পৰিচালনাৰ প্ৰস্তুতিৰ বাবে ৰাজহ ব্যয় আৰু ২১ দশমিক ৮-৪ শতাংশ প্ৰতিৰক্ষা পেঞ্চন ব্যয় ধাৰ্য্য কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডলৈ ৭ দশমিক ৮-৫ লাখ কোটি টকা আৱণ্টন দিয়াৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰী মোদীক প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ধন্যবাদ জ্ঞাপন কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটক জনসাধাৰণ কেন্দ্ৰীক বুলি উল্লেখ কৰিছে। তেওঁ কয়, যে এই বাজেটে আত্মনিৰ্ভৰ ভাৰত আৰু মেক ইন ইণ্ডিয়া পদক্ষেপ ত্বৰান্বিত কৰাৰ দিশত অভিলাষি পৰিকল্পনা যুগুত কৰিছে। এটা ভিডিঅ' বাৰ্তাত মোদীয়ে কয়, যে কালি দাখিল কৰা এই বাজেটে দেশৰ সংস্কাৰৰ প্ৰয়াস দ্ৰুত কৰি তুলিব। এই বাজেটে অভিলাষসমূহক বাস্তৱায়িত কৰাৰ লগতে দেশৰ ভৱিষ্যতৰ ভেটি সবল কৰি তুলিব বুলি তেওঁ মতপ্ৰকাশ কৰে। এয়া এখন অনন্য বাজেট বুলি উল্লেখ কৰি তেওঁ কয় যে বাজেটখনৰ জৰিয়তে উচ্চ মূলধনী ব্যয় আৰু দ্ৰুতপ্ৰগতি সুনিশ্চিত কৰাৰ সমান্তৰালকৈ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ লগতে বিত্তীয় ঘাটি হ্ৰাস কৰাৰ প্ৰয়াস চলোৱা হৈছে। বাঅ'ফাৰ্মা শক্তি মিছন, ছেমি কণ্ডাক্টৰ মিছন ২ পইণ্ট জিৰোৰ দৰে আঁচনিসমূহে দেশৰ প্ৰগতি ত্বৰান্বিত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। বস্ত্ৰ উদ্যোগত প্ৰস্তাৱিত নতুন আঁচনিসমূহ তথা অতি ক্ষুদ্ৰ, লঘু আৰু মধ্যমীয়া উদ্যোগসমূহৰ বাবে প্ৰস্তাৱিত আঁচনিসমূহে দেশৰ ভৱিষ্যতৰ প্ৰয়োজন পূৰণ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। দেশৰ মহিলাসকলৰ সবল মনোভাৱ এই বাজেটৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰৰ আঁচনিসমূহে দেশৰ যুৱচামক প্ৰতিভা বিকাশৰ সুযোগ দিব।

০০০০

সংসদৰ দুয়োখন সদনত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সাংসদ সৰ্বানন্দ সোণোৱালে লোকসভাত এই প্ৰস্তাৱ দাঙি ধৰিব আৰু দলৰ সাংসদ তেজস্বী সূৰ্যায়াই এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়াব। ৰাজ্যসভাত বিজেপিৰ সাংসদ চি সদানন্দন মাষ্টাৰে প্ৰস্তাৱ উত্থাপন কৰিব আৰু সাংসদ মেধা বিশ্ৰাম কুলকাৰ্নীয়ে এই প্ৰস্তাৱ সমৰ্থন কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ওড়িশা আৰু চত্তিশগড় ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে বালাচোৰত ফকিৰ মোহন বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন কাৰ্যসূচীত অংশ লোৱাৰ উপৰি বিশ্ববিদ্যালয়খনৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। বুধবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে ৰায়ৰংপুৰৰ মাহুলদিহাত ভাঞ্জবীৰ চুনাৰাম চোৰেনৰ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মুৱে এই ভ্ৰমণকালত চৰকাৰী আয়ুৰ্বেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, আৰ্চাৰী কেন্দ্ৰ, নগৰ সৌন্দৰ্যকৰণকে ধৰি ভালেমান প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ওড়িশা চৰকাৰৰ উদ্যোগত গ্লোবেল ফাইনেন্স এণ্ড টেকন'লজি নেটৱৰ্কৰ সহযোগত আয়োজন কৰা ব্লেক ছোৱান শীৰ্ষ সন্মিলনত উপস্থিত থাকিব। অহা সাত ফেব্ৰুৱাৰীত তেওঁ চত্তিশগড়ৰ জগদালপুৰত বাস্তাৰ পাণ্ডুম ২০২৬ মহোৎসৱ উদ্বোধন কৰিব।

০০০০

ভাৰতীয় জনতাপাৰ্টীৰ জ্যেষ্ঠ কেন্দ্ৰীয় নেতাসকলে মণিপুৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সন্দৰ্ভত আজি নতুন দিল্লীত ৰাজ্যখনৰ বিজেপিৰ বিধায়ক তথা এন ডি এ মিত্ৰজোঁটৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। ইতিমধ্যে বিজেপি আৰু ইয়াৰ সমৰ্থিত দলৰ ভালেসংখ্যক বিধায়ক নতুন দিল্লীত উপস্থিত হৈছে। মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বীৰেন সিং আৰু ৰাজ্যখনৰ বিজেপি সভাপতি অধিকাৰীমায়ুম সাৰদা দেৱীয়ে বিধায়কসকলক নেতৃত্ব দিছে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত এন বীৰেন সিঙে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰাৰ চাৰিদিন পাছত মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰা হৈছিল। অহা ১২ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি শাসনৰ অন্ত পৰিব। ৰাজ্যখনৰ বিধানসভা ৬০ জন সদস্যক বৰ্তমান নিলম্বিত কৰি ৰখা হৈছে। ২০২৭ চনত তেওঁলোকৰ কাৰ্যকাল অন্ত পৰিব।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ নেতা বুলি অভিহিত কৰি কয়, যে তেওঁলোকৰ ওপৰত সমগ্ৰ দেশৰে দৃষ্টি নিবদ্ধ হৈ আছে। বাজেট দাখিল কৰাৰ পাছত নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি বিভিন্ন অঞ্চলৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাজেট আৰু চৰকাৰী কামকাজ জাতিটোৰ যুৱ প্ৰজন্মৰ বাবে বাট মুকলি কৰাৰ উদ্দেশ্যেৰে কৰা হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে চাহিদাৰ বিষয়টো পৰিচালনা কৰাটো প্ৰতিগৰাকী বিত্ত মন্ত্ৰীৰ বাবে এটা প্ৰত্যাহ্বান আৰু এই ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাটো বৰ কঠিন। তেওঁ কয়, যে যোৱা ১০ বছৰত প্ৰতিৰক্ষা ব্যয়ে দেশক সহায় কৰি আহিছে আৰু এই কথা অপাৰেচন সিন্দূৰৰ সময়ত প্ৰমানিত হৈছে। জাতিটোৰ সুৰক্ষা, কৃষকৰ পৰ্যাপ্ত উৎপাদন আৰু এই উৎপাদিত সামগ্ৰী গ্ৰাহকে উচিত মূল্যত ক্ৰয় কৰা বিষয়টো প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০

নতুন দিল্লীৰ ডঃ কাৰ্ণি সিং শ্বুটিং ৰেঞ্জত আজি এছিয়ান ৰাইফল আৰু পিষ্টল শ্বুটিং চেম্পিয়নশ্বিপ ২০২৬ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত এছিয়া মহাদেশৰ ভালেসংখ্যক খেলুৱৈয়ে পুৰুষ, মহিলা, জুনিয়ৰ আৰু যুৱ শাখাত ১০ মিটাৰ, ২৫ মিটাৰ আৰু ৫০ মিটাৰ ৰাইফল আৰু পিষ্টল প্ৰতিযোগিতাত অংশ ল'ব। একক, দলীয় আৰু মিক্সড শিতানত হ'বলগীয়া এই প্ৰতিযোগিতাখনত ১৭ খন দেশে অংশগ্ৰহণ কৰিব।

০০০০

জিম্বাবৱেৰ বুলাৱায়'ৰ কুইন্স স্পোৰ্টছ ক্লাবত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধ আই চি চি পুৰুষ বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৫৮ ৰানত পৰাস্ত কৰে। পাকিস্তানে ২৫৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৬ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ আয়ুষ মহাত্ৰে আৰু খিলান পেটেলে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি ৪৯ অভাৰ পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বেদান্ত ত্ৰিবেদীয়ে ৬৮ ৰান কৰে। এই জয়ৰ সুবাদত ভাৰত চেমিফাইনেলত প্ৰৱেশ কৰে। পৰহিলৈ চেমিফাইনেলত ভাৰত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ছয় ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ